কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/১০/২১-২২
*Ref :*

তাৰিখ : ১০-১২-২০২১
*Date :*

## অসম জাতীয় বিদ্যালয়ত শ্বহীদ দিৱস উদ্‌যাপন

**গুৱাহাটী, ১০ ডিছেম্বৰ, ২০২১ :** জাতিটোৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া ঐতিহাসিক অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ উদ্দেশ্যে আজি অসম জাতীয় বিদ্যালয়ত শ্বহীদ দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই বন্তি প্ৰজ্বলনেৰে শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। বিদ্যালয়ৰ নিয়মীয়া পাঠদান কাৰ্য্যসূচী আৰম্ভ হোৱাৰ পূৰ্বে আয়োজন কৰা এই অনুষ্ঠানত অসম আন্দোলনত সক্ৰিয়ভাৱে জড়িত থকা ডা° নাৰায়ণ শৰ্মাই আন্দোলনটোৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ তথা অন্যান্য শ্বহীদসকলৰ ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে আন্দোলনকালীন পৰিৱেশ-পৰিস্থিতিৰ বিষয়েও সকলোকে অৱগত কৰে। অনুষ্ঠানটোৰ আঁত ধৰা বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই ছাত্ৰ আন্দোলনটোৰ ঐতিহাসিক গুৰুত্ব, তাৎপৰ্য্য সম্পৰ্কে আলোকপাত কৰে। এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থী তথা একাংশ অভিভাৱকো উপস্থিত থাকে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়